# অধ্যায়-১১

# বিভিন্ন প্ৰকাৰৰ বেংক হিচাব
# (DIFFERENT TYPES OF BANK ACCOUNTS)

**বিভিন্ন প্ৰকাৰৰ বেংক হিচাব** (Different types of Bank Account) ঃ

বেংকৰ মুখ্য কাৰ্য হৈছে জনসাধাৰণৰ পৰা বিভিন্ন প্ৰকাৰৰ হিচাবৰ যোগেদি জমা বা আমানত গ্ৰহণ কৰা। বাণিজ্যিক বেংকৰ পুঁজিৰ প্ৰধান উৎস হ'ল জনসাধাৰণৰ আমানত। এই আমানতৰ দ্বাৰাই বেংকসমূহ পৰিচালিত হোৱাৰ উপৰিও বিভিন্ন ক্ষেত্ৰত ঋণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰে। বেংকে গ্ৰহণ কৰা আমানত জনসাধাৰণক চাহিদা অনুযায়ী নতুবা নিৰ্দিষ্ট ম্যাদ উকলি গ'লে পৰিশোধ কৰে। গতিকে, জমা হিচাবসমূহ আমি দুটা ভাগত বিভক্ত কৰিব পাৰো—

(ক) **হুকুম বা আদেশী জমা হিচাব** (Demand Deposit Account) ঃ হুকুম বা আদেশী জমা হিচাব হ'ল জমাকাৰীৰ আদেশ অনুযায়ী ধনাদেশ বা অন্য প্ৰকাৰে জমাধন আহৰণ কৰাৰ সম্পূৰ্ণ অধিকাৰ থাকে। এনে জমা হিচাব দুই প্ৰকাৰৰ—


১) সঞ্চয়ী বেংক হিচাব, (২) চলিত জমা হিচাব।

(খ) **ম্যাদী জমা হিচাব** (Term Deposit Accounts) ঃ ম্যাদী জমা হিচাব হ'ল— বেংকসমূহে এক নিৰ্দিষ্ট সময়ৰ বাবে জনসাধাৰণৰ জমা গ্ৰহণ কৰে আৰু এই ম্যাদ উকলি গ'লেহে জমাকাৰীয়ে জমাধন আহৰণ কৰিব পাৰে। এই জমাধন ধনাদেশ বা অন্য প্ৰকাৰে আহৰণ কৰিব পৰা ব্যৱস্থা নাই।

এনে জমা হিচাব দুই প্ৰকাৰৰ—

১) স্থায়ী জমা হিচাব, (২) পৌনঃপুনিক জমা হিচাব।

বেংকৰ বিভিন্ন প্ৰকাৰৰ হিচাবসমূহ তলৰ তালিকাত দাঙি ধৰা হ’ল—




**সাধাৰণতে, বেংক হিচাবসমূহক নিম্নলিখিত ধৰণে শ্ৰেণীবদ্ধ কৰিব পাৰি ঃ**

(ক) সঞ্চয়ী বেংক হিচাব (Savings Bank Account)

(খ) চলিত জমা হিচাব (Current Deposit Account)

(গ) স্থায়ী বা ম্যাদী জমা হিচাব (Fixed Deposit Account)

(ঘ) পৌনঃপুনিক বা আৱৰ্ত্ত জমা হিচাব (Recurring Deposit Account)

(ক) **সঞ্চয়ী বেংক হিচাব** (Savings Bank Account) ঃ

সমাজৰ সকলো শ্ৰেণী মানুহৰ আয়ৰ উৎস সামানুপাতিক নহয়। নিম্নবিত্ত আৰু মধ্যবিত্ত আয় স্তৰৰ লোকসকলৰ মাজত ক্ষুদ্ৰ সঞ্চয়ৰ মনোভাৱ জাগ্ৰত কৰি তুলিবলৈ সঞ্চয়ী বেংক হিচাব আৰম্ভ কৰিছিল। সেয়ে তেনে লোকৰ ক্ষুদ্ৰ সঞ্চয়সমূহ সঞ্চয়ী বেংক হিচাবত জমা ৰাখিলে ভৱিষ্যতে আৰ্থিক সকাহ পোৱাৰ সুবিধা হয়। বৰ্তমান সময়ত সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত এই হিচাবৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে। বাণিজ্যিক বেংকে কাৰ্য্যকৰী পুঁজি সংগ্ৰহৰ উদ্দেশ্য এই শ্ৰেণীৰ জনসাধাৰণৰ পৰা সঞ্চয় সংগ্ৰহ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। বেংকৰ নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰণ কৰি যিকোনো ব্যক্তিয়ে সঞ্চয়ী বেংক হিচাব খুলিব পাৰে। সঞ্চয়ী বেংক হিচাবত এটা নিম্নতম পৰিমাণৰ টকা জমা দি হিচাব খুলিব পাৰে। অৱশ্যে বেংক ভেদে আৰু অঞ্চলভেদে

নিম্নতম টকাৰ পৰিমাণ বেলেগ বেলেগ হয়। এই জমা হিচাবত প্ৰতিদিনে কেইবাবাৰো ধন জমা কৰিব পাৰে। কিন্তু এই হিচাবৰ পৰা ধন আহৰণৰ সীমা বান্ধি দিয়া থাকে। এই জমা হিচাবত নিৰ্দিষ্ট পৰিমাণৰ সুত বেংকে প্ৰদান কৰে। হিচাব খোলাৰ লগে লগে বেংকে গ্ৰাহকক এখন পাছবুক দিয়ে। তদুপৰি গ্ৰাহকৰ প্ৰয়োজন সাপেক্ষে ধনাদেশ আৰু এ. টি. এম(ATM)ৰ ব্যৱস্থা কৰে। ধনাদেশ আৰু এ. টি. এমৰ সুবিধাৰ কাৰণে গ্ৰাহকে নিম্নতম ১০০০ টকা বেংকৰ হিচাবত জমা কৰিব লাগে। নিৰ্দিষ্ট জমা প্ৰ-পত্ৰ পূৰণ কৰি গ্ৰাহকে এই হিচাবত ধন জমা কৰে আৰু গ্ৰাহকৰ প্ৰয়োজন অনুসৰি ধনাদেশ বা এ. টি. এম যোগে টকা আহৰণ কৰিব পাৰে।

**সঞ্চয়ী বেংক হিচাবৰ বৈশিষ্ট্য** (Features of Saving Bank Account) ঃ

সঞ্চয়ী বেংক হিচাবৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) তলত উল্লেখ কৰা ধৰণে এগৰাকী ব্যক্তিয়ে এটা সঞ্চয়ী বেংক হিচাব খুলিব পাৰে—

 (ক) এগৰাকী ব্যক্তিয়ে তেওঁৰ নিজৰ নামত।

 (খ) দুজন বা তাতোধিক ব্যক্তিয়ে যৌথভাৱে তেওঁলোকৰ নামত।

 (গ) এজন নাবালকৰ নূন্যতম বয়স ১০ ৰ পৰা ১৪ বছৰ হ'লে নিজৰ নামত।

 (ঘ) ব্যৱসায়ত লিপ্ত নোহোৱা ক্লাৱ বা সংস্থা বা সংঘই তেওঁলোকৰ নিজৰ নামত।

 (ঙ) এটা দাতব্য বা ধৰ্মীয় প্ৰতিষ্ঠানৰ নামত।

 (চ) এটা ন্যাসৰ নামত।

 (ছ) লাভ উপাৰ্জনৰ উদ্দেশ্য নথকা এখন শিক্ষা অনুষ্ঠানৰ নিজৰ নামত।

২) কোনো গাইগুটীয়া ব্যৱসায়ী, কোম্পানী, কাৰবাৰী আৰু সংস্থা, যিয়ে লাভজনক কামৰ লগত লিপ্ত, তেওঁলোকে সঞ্চয়ী বেংক হিচাব খুলিব নোৱাৰে।

৩) নিৰ্দিষ্ট পৰিমাণৰ টকা জমা দিয়েই এটা সঞ্চয়ী বেংক হিচাব খুলিব পাৰে। প্ৰতিদিনে জমা কৰা ধনৰ পৰিমাণৰ কোনো সীমা নাই আৰু কিমানবাৰ জমা কৰিব লাগে, তাৰ কোনো নিয়ম নাই।

৪) এই হিচাবৰ পৰা টকা আহৰণৰ সীমা বান্ধি দিয়া থাকে। বৰ্তমান বছৰত ১৫০ বাৰ আহৰণ কৰিব পাৰে। কিন্তু এই নিয়মৰ সময়ে সময়ে সাল-সলনি ঘটে। জমাকাৰীয়ে উলিয়াব বিচৰা টকাৰ পৰিমাণ বেংকে বান্ধি দিয়া সীমা অতিক্ৰম কৰিলে পূৰ্বে জাননী দিব লাগে।

৫) স্থায়ী জমা হিচাব আৰু পৌনঃপুনিক জমা হিচাবৰ তুলনাত এই হিচাবত সুদৰ হাৰ কম।

৬) এই হিচাবৰ সুত বেংকে প্ৰতিদিনে গণনা কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে ২০১০ চনৰ ১ এপ্ৰিলৰ পৰা প্ৰতিদিন গড় পদ্ধতি অৱলম্বন কৰি সঞ্চয়ী বেংক হিচাবৰ সুদ গণনা কৰাৰ নতুন নিৰ্দেশনা জাৰি কৰিছে।

৭) সঞ্চয়ী বেংক হিচাবৰ ধাৰকলৈ পাছ-বুক প্ৰদান কৰা হয়। তদুপৰি যিবিলাক আমানতকাৰীয়ে নিম্নতম তহবিল এই হিচাবত ৰাখিব বিচাৰে, তেতিয়া তেওঁলোকক ধনাদেশ বহী প্ৰদান কৰা হয়।

৮) সঞ্চয়ী বেংক হিচাবৰ ধাৰকে আহৰণ প্ৰ-পত্ৰ, ধনাদেশ বা এ. টি. এমৰ দ্বাৰা নিজৰ নামত থকা হিচাবৰ পৰা টকা উলিয়াব পাৰে।

**সঞ্চয়ী বেংক হিচাবৰ সুবিধা** (Advantages of Savings Bank Accounts ঃ

সঞ্চয়ী বেংক হিচাবৰ ক্ষেত্ৰত বেংক আৰু গ্ৰাহক উভয় পক্ষই তলত উল্লেখ কৰা সুবিধাসমূহ উপভোগ কৰে—

১) সঞ্চয়ী বেংক হিচাবৰ জৰিয়তে বেংকে জমা গ্ৰহণ কৰি গ্ৰাহকৰ পুঁজিৰ নিৰাপত্তা দিয়ে।

২) এই হিচাবৰ ধাৰকে জমা কৰা পুঁজিৰ ওপৰত নিৰ্দিষ্ট পৰিমাণৰ সুত লাভ কৰে। ফলস্বৰূপে জনসাধাৰণৰ সঞ্চয়ৰ প্ৰতি মনোভাৱ বৃদ্ধি পায়।

৩) এই হিচাবৰ জৰিয়তে সংগ্ৰহ হোৱা পুঁজিসমূহ বিভিন্ন ক্ষেত্ৰত বেংকে বিনিয়োগ কৰি দেশৰ আৰ্থিক প্ৰগতিত সহায় কৰাৰ উপৰিও বুজন পৰিমাণৰ সুত লাভ কৰে।

৪) এই হিচাবত বেংকে আগবঢ়োৱা বিভিন্ন ধৰণৰ সুবিধাৰ বাবে জনসাধাৰণ আকৰ্ষিত হয় আৰু সঞ্চয়ৰ প্ৰতি মনোনিবেশ কৰে।

৫) এই হিচাবৰ গ্ৰাহকে প্ৰয়োজন সাপেক্ষে তেওঁৰ নিজৰ নামত থকা জমা ধন আহৰণ কৰিব পাৰে। তাৰ বাবে বেংকে আহৰণ প্ৰ-পত্ৰ, ধনাদেশৰ বহী আৰু এ. টি. এমৰ সুবিধা কৰি দিয়ে।

(খ) **চলিত জমা হিচাব** (Current Deposit Account) ঃ

বাণিজ্যিক বেংকত চলিত জমা হিচাবৰ গুৰুত্ব প্ৰতিদিনে বৃদ্ধি পাই আছে। এই জমা হিচাব সাধাৰণতে

ব্যৱসায়ীক প্ৰতিষ্ঠান, ঔদ্যোগিক প্ৰতিষ্ঠান আৰু যৌথ কোম্পানী ইত্যাদিসমূহে খোলে। চলিত জমা হিচাবৰ নিম্নতম জমা আন জমা হিচাবৰ তুলনাত বেছি। আনহাতে চলিত জমা হিচাবত ৰাখিব পৰা আমানতৰ পৰিমাণো বেছি। চলিত জমা হিচাবৰ এক বিশেষত্ব হ'ল— গ্ৰাহকে নিজ সুবিধা অনুসৰি এক দিনতে বহুবাৰ ধন জমা দিব পাৰে আৰু প্ৰয়োজনত আহৰণ কৰিব পাৰে। এই হিচাবত ধন উলিওৱা আৰু জমা কৰাৰ কোনো সীমাৰদ্ধতা নাই। বাস্তৱ ক্ষেত্ৰত সকলোবোৰ ব্যৱসায়িক লেনদেন ধনাদেশৰ জৰিয়তে গ্ৰাহকে সমাধান কৰে। সেয়েহে চলিত জমা হিচাবৰ গ্ৰাহকে প্ৰতিদিনে কিমান পৰিমাণৰ টকা জমা দিব আৰু কিমান পৰিমাণৰ টকা আহৰণ কৰিব তাক সঠিককৈ কোৱা টান। গতিকে বেংকে এই জমা হিচাবৰ বাবে যথেষ্ট পৰিমাণৰ তহবিল মজুত ৰাখিবলগীয়া হয়। চলিত জমা হিচাবৰ প্ৰকৃতি এনেকুৱা ধৰণৰ হোৱা হেতুকে বেংকে সুবিধাজনকভাৱে পুঁজি বিনিয়োগ কৰি উপাৰ্জন কৰা অসুবিধাজনক। সেইবাবে এই হিচাবৰ ওপৰত বেংকে সাধাৰণতে সুদ প্ৰদান নকৰে। বৰ্তমান বেংকে চলিত জমা হিচাবত ৰাখিবলগীয়া নিম্নতম জমাৰ পৰিমাণ নাৰাখিলে তাৰ বাবে প্ৰাসংগিক ব্যয় (Incidental charge) লয়।

**চলিত জমা হিচাবৰ বৈশিষ্ট্য** (Features of current Deposit Account) ঃ

চলিত জমা হিচাবৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) কোনো ব্যক্তি, ব্যৱসায়ী, কোম্পানী আদিয়ে চলিত জমা হিচাব খুলিব পাৰে। কিন্তু এজন নাবালকক এই হিচাব খুলিব দিয়া নহয়।

২) চলিত জমা হিচাবত গ্ৰাহকে প্ৰয়োজন অনুসৰি এদিনতে বহুবাৰ টকা জমা কৰিব পাৰে আৰু আহৰণ কৰিব পাৰে। তাৰ ওপৰত কোনো হকা-বাধা আৰোপ কৰা নাই।

৩) বেংকে সাধাৰণতে চলিত জমা হিচাবৰ আমানতৰ ওপৰত গ্ৰাহকক কোনো ধৰণৰ সুদ নিদিয়ে। কাৰণ এই জমা হিচাবৰ লেনদেনৰ বাবে বেংকে অধিক পৰিমাণৰ তাৰল্য পুঁজি মজুত ৰাখিব লগা হয়।

৪) চলিত জমা হিচাব ধাৰকক বেংকে পাছবুক, ধনাদেশৰ বহী আৰু এ. টি. এমৰ সুবিধা প্ৰদান কৰে।

৫) চলিত জমা হিচাবৰ ধাৰকে বেংকৰ পৰা 'অধিবিকৰ্ষ'ৰ সুবিধা গ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে গ্ৰাহকে বেংকৰ লগত আগতীয়াকৈ যোগাযোগ কৰিব লাগে।

৬) চলিত জমা হিচাবত ধাৰকৰ হকে তৃতীয় পক্ষৰ ধনাদেশ আৰু পৃষ্ঠাংকণ কৰা ধনাদেশ বেংকে সংগ্ৰহ কৰে।

৭) চলিত জমা হিচাবত বেংকে নগদ টকা জমা লোৱা বা আদায় দিয়াৰ উপৰিও বিনিময় বিল, বেংক ড্ৰাফ্‌ট, ধনাদেশ আদি গ্ৰাহকৰ হকে জমা লয় আৰু এইবিলাক গ্ৰাহকৰ সুবিধাৰ বাবে আদায় কৰে।

গ) **স্থায়ী জমা হিচাৱ** (Fixed Deposit Account)ঃ

স্থায়ী জমা হিচাবক সময় সাপেক্ষে জমা বা চৰ্তসাপেক্ষে জমা বুলিও জনা যায়। এক নিৰ্দিষ্ট পৰিমাণৰ টকা এক নিৰ্দিষ্ট সময়ৰ বাবে বেংকত জমা ৰখা হেতুকে এই হিচাবক স্থায়ী বা ম্যাদী জমা হিচাব বোলে। ম্যাদী জমা হিচাবত বেংকে উচ্চ হাৰত সুত প্ৰদান কৰে। এই হিচাবৰ জমাধন ম্যাদ উকলি নোযোৱা পৰ্যন্ত উলিয়াব নোৱাৰে। অৱশ্যে জমাকাৰীৰ আগতীয়া জাননী সাপেক্ষে বেংকে ধন মোকলাই দিব পাৰে। এইক্ষেত্ৰত বেংকে পূৰ্বৰ চুক্তি অনুসৰি সুত প্ৰদান নকৰে। স্থায়ী জমা হিচাবত জমা কৰা টকাৰ বাবে বেংকে এখন স্থায়ী জমাৰ ৰছিদ দিয়ে। এই ৰছিদখনত জমা কৰা টকাৰ পৰিমাণৰ উপৰিও, ম্যাদৰ সময়, সুতৰ হাৰ, জমাকাৰীৰ নাম আৰু ম্যাদৰ অন্তত সূতে-মূলে পাবলগীয়া টকাৰ পৰিমাণ উল্লেখ থাকে।

**স্থায়ী জমা হিচাবৰ বৈশিষ্ট্য** (Features of Fixed Deposit Account)ঃ

স্থায়ী জমা হিচাবৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) কোনো এজন ব্যক্তিয়ে তেওঁৰ নিজৰ নামত, দুজন বা ততোধিক ব্যক্তিয়ে যৌথ নামত আৰু আনকি এজন নাবালকৰ নামতো স্থায়ী জমা হিচাব খুলিব পাৰে।

২) এই জমা হিচাবত এক নিৰ্দিষ্ট পৰিমাণৰ টকা এক নিৰ্দিষ্ট সময়ৰ বাবে স্থিৰ সুতৰ হাৰত জমা কৰে।

৩) এই জমা হিচাবৰ ধাৰকে বেংকত টকা জমা কৰাৰ পিছত বেংকে প্ৰাপ্তি স্বীকাৰ কৰি এখন স্থায়ী জমাৰ ৰছিদ প্ৰদান কৰে। এনেকুৱা হিচাবৰ ধাৰকক পাছবুক আৰু ধনাদেশ বহী প্ৰদান নকৰে। মনকৰিবলগীয়া কথা যে এই জমাৰ ৰছিদ হেৰালে যথোপযুক্ত প্ৰমাণেৰে বেংকক সন্তুষ্ট কৰিব পাৰিলে, ধাৰকে নকল প্ৰতিলিপি ল'ব পাৰে।

৫) এই হিচাবত বেংকে দিয়া সুতৰ হাৰ অন্যান্য হিচাবৰ তুলনাত অধিক। ইয়াৰ কাৰণ বেংকত জমা হোৱা পুঁজি অইন লাভজনক ক্ষেত্ৰত দীৰ্ঘ সময়ৰ বাবে বিনিয়োগ কৰি অধিক লাভৱান হ'ব পাৰে। ইয়াৰ উপৰি স্থায়ী জমাৰ বাবে নগদ সংৰক্ষণ প্ৰয়োজন নহয়।

৬) এই হিচাবত ধাৰকে নিৰ্দিষ্ট ম্যাদ উকলি নোযোৱালৈকে জমা টকা উলিয়াব নোৱাৰে। কিন্তু ধাৰকৰ আবেদন অনুযায়ী ইয়াৰ বিপৰীতে বেংকে ঋণৰ ব্যৱস্থা কৰে।

৭) সাধাৰণতে, এই হিচাবৰ ম্যাদ উকলি গ'লেহে সুত প্ৰদান কৰে। কিন্তু জমাকাৰীৰ অনুৰোধ ক্ৰমে বেংকে প্ৰতিমাহে, তিনিমাহে বা ছমাহৰ মূৰে মূৰে তেওঁৰ সঞ্চয়ী জমা হিচাব নতুবা চলিত জমা হিচাবত জমা কৰে।

৮) বছৰি সুতৰ পৰিমাণ ১০,০০০ হাজাৰ টকাতকৈ অধিক হ'লে, তাৰ ওপৰত আয়কৰ দিব লাগে।

**স্থায়ী জমা হিচাবৰ সুবিধাসমূহ** (Advantages of Fixed Deposit Account) ঃ

স্থায়ী জমা হিচাবৰ ক্ষেত্ৰত গ্ৰাহকে তলত উল্লেখ কৰা সুবিধাসমূহ উপভোগ কৰে—

১) স্থায়ী জমা হিচাবৰ দ্বাৰা বেংকে সঞ্চয়কাৰীক বিনিয়োগৰ সুবিধা কৰি দিয়ে। এই হিচাবত সঞ্চয়কাৰীয়ে বিনিয়োগৰ পৰা হোৱা কোনো ধৰণৰ শংকা বহন কৰিবলগীয়া নহয়। অৰ্থাৎ বিনিয়োগ কৰা পুঁজিৰ সম্পূৰ্ণ নিৰাপত্তা প্ৰদান কৰে। পুঁজিৰ হৰলুকি হোৱাৰ কোনো অৱকাশ নাথাকে।

২) এই জমা হিচাবত সঞ্চয়কাৰীয়ে অন্যান্য হিচাবৰ তুলনাত অধিক হাৰত সুত উপাৰ্জন কৰে। সেয়েহে, জনসাধাৰণৰ মাজত সঞ্চয়ৰ প্ৰতি মনোভাৱ বৃদ্ধি পায়।

৩) এই হিচাবত সঞ্চয়কাৰীয়ে বেংকত এক নিৰ্দিষ্ট সময়ৰ বাবে ধন জমা কৰা হেতুকে বেংকে নিশ্চিতভাৱে এই জমা ধন বিভিন্ন ক্ষেত্ৰত বিনিয়োগ কৰাৰ সুবিধা পায়।

৪) জমাকাৰীয়ে প্ৰয়োজন সাপেক্ষে এই হিচাবৰ বিপৰীতে বেংকৰ পৰা ঋণ গ্ৰহণ কৰিব পাৰে।

৫) জমাকাৰীয়ে জমাৰ ওপৰত উদ্ভৱ হোৱা সুত মাহেকত, তিনিমাহত বা ছমাহত উলিয়াব পাৰে।

**পৌনঃপুনিক বা আৱৰ্ত্ত জমা হিচাব** (Recurring Deposit Account) ঃ

পৌনঃপুনিক জমা হিচাব বা ৰেকাৰিং জমা হিচাব প্ৰকৃততে স্থায়ী জমা হিচাবৰ দৰে একপ্ৰকাৰ ম্যাদী হিচাব। এক নিৰ্দিষ্ট পৰিমাণৰ টকা এক নিৰ্দিষ্ট সময়লৈ প্ৰতিমাহে জমা কৰে বাবে এই হিচাবক পৌনঃপুনিক জমা হিচাব বা ৰেকাৰিং জমা হিচাব বোলা হয়। এই জমা হিচাবত বেংকে স্থায়ী জমা হিচাবতকৈ কম হাৰত সুত প্ৰদান কৰে। কিন্তু আনবোৰ হিচাবৰ তুলনাত বেছি হাৰত সুত দিয়া দেখা যায়। এই জমা হিচাবত জমাকাৰীয়ে স্থায়ী জমাৰ দৰে নিৰ্দিষ্ট ম্যাদৰ অন্তত বেংকৰ পৰা সুতে-মূলে আদায় কৰি ল'ব পাৰে। অৱশ্যে বৰ্তমান বেংকে ম্যাদৰ শেষত জমাকাৰীক নগদ ধন আদায় নিদি, তেওঁৰ সঞ্চয়ী জমা হিচাবত জমা কৰা দেখা যায়। এই হিচাবৰ জৰিয়তে নিৰ্দিষ্ট তথা নিয়মীয়া নিম্ন আয়ৰ লোকে সঞ্চয়ৰ ধন জমা কৰি তুলনামূলকভাৱে উচ্চ হাৰৰ

সুত লাভ কৰিব পাৰে। বেংকে অন্যান্য হিচাববোৰৰ দৰে এই হিচাবৰ ধাৰকক এখন পাছ্-বুক জাৰি বা বিলি কৰে। এই হিচাবত জমাকাৰীয়ে পে-ইন-শ্লিপ পূৰ্ণ কৰি বেংকত টকা জমা কৰিব পাৰে। উল্লেখযোগ্য যে জমাকাৰীয়ে এই হিচাবৰ টকা ম্যাদৰ সময় উকলি যোৱাৰ আগতে যদি জমাৰ ধন আহৰণ কৰিব বিচাৰে, তেন্তে পূৰ্ব চুক্তি অনুসৰি সুতৰ হাৰ কমি যায়।

**পৌনঃ পুনিক বা আৱৰ্ত জমা হিচাবৰ বৈশিষ্ট্য** (Features of Recurring Deposit Account) ঃ

পৌনঃ পুনিক বা ৰেকাৰিং জমা হিচাবৰ প্ৰধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) এই জমা হিচাবটো তলত দিয়া ধৰণে কোনো ব্যক্তিয়ে খুলিব পাৰে—

(ক) এজন ব্যক্তিয়ে তেওঁৰ নিজৰ নামত

(খ) দুজন বা ততোধিক ব্যক্তিয়ে তেওঁলোকৰ যৌথ নামত।

(গ) এজন নাবালক আৰু অভিভাৱকে যৌথভাৱে।

(ঘ) এজন নাবালকেও তেওঁৰ নামত খুলিব পাৰে, যদিহে তেওঁৰ বয়স অতি কমেও ১০ ৰ পৰা ১২ বছৰ হয়।

২) এই হিচাবত, হিচাবৰ ধাৰকে এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে নিৰ্দিষ্ট পৰিমাণৰ টকা নিয়মিতভাৱে বেংকত জমা দিব লাগে। যেনে— মাহেকত, তিনিমাহত, ছমাহত।

৩) যদি হিচাবৰ ধাৰকে যথাসময়ত বা নিয়মিতভাৱে এই হিচাবত টকা জমা কৰিব নোৱাৰে, তেতিয়াহ'লে বেংকক পূৰ্ব নিৰ্ধাৰিত হাৰত জৰিমনা দিব লাগে।

৪) এই হিচাবত জমাৰ ওপৰত দিয়া সুতৰ হাৰ আৰু স্থায়ী জমা হিচাবৰ সুতৰ হাৰ প্ৰায় একে।

৫) এই হিচাবৰ ধাৰকক, বেংকে এখন পাছবুক দিয়ে। পাছবুকখনত প্ৰতিটো জমা লিপিবদ্ধ কৰা হয়।

৬) হিচাবৰ ধাৰকে মুঠ জমাৰ ওপৰত ৭৫ শতাংশ ঋণ লোৱাৰ সুবিধাও আছে।

৭) এই জমা হিচাবত, ধাৰকে ম্যাদৰ অন্ততঃ সুতে-মূলে ঘূৰাই পায়।

৮) কোনো ধৰণৰ বেংকৰ ভৰনি নিদিয়াকৈ এই হিচাব এটা শাখাৰ পৰা আন এটা শাখালৈ বদলি কৰাৰ সুবিধা আছে।

**সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাব খোলাৰ কাৰ্য প্ৰণালী** (Procedure of opening Savings Bank Account and Current Deposit Account ঃ

গ্ৰাহকে বেংকত এটা হিচাব খোলাৰ লগে লগে দুয়ো পক্ষৰ মাজত এটা সম্পৰ্ক গঢ়ি উঠে। অৰ্থাৎ বেংকে কোনো গ্ৰাহকৰ নামত হিচাব খোলা মানে বেংক আৰু গ্ৰাহকৰ মাজত এক প্ৰকাৰ চুক্তি সম্পাদিত হোৱা। এনে চুক্তিৰ ফলস্বৰূপে উভয় পক্ষই কিছুমান অধিকাৰ পায় আৰু দায়িত্ব বহন কৰে। বেংকত সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাব খোলাৰ কাৰ্য প্ৰণালী প্ৰায় একে। বেংকে সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাব খোলাৰ সময়ত তলত উল্লেখ কৰা নিয়মাৱলীসমূহ মানি চলিব লাগে—

১) **নিৰ্দিষ্ট প্ৰ-পত্ৰত আবেদন** (Application on the prescribed Form) ঃ

হিচাব খুলিবলৈ ইচ্ছা প্ৰকাশ কৰা কোনো ব্যক্তি বা প্ৰতিষ্ঠানে বেংকক অনুৰোধ কৰি আবেদন দাখিল কৰিব লাগে। এনে আবেদনৰ ভিত্তিত বেংকে ব্যক্তি, ব্যৱসায়ী প্ৰতিষ্ঠান আৰু কোম্পানীৰ বাবে পৃথক পৃথক প্ৰ-পত্ৰৰ যোগান ধৰে। আবেদনকাৰীয়ে বেংকে যোগান ধৰা প্ৰ-পত্ৰখন সম্পূৰ্ণ কৰাৰ লগতে যাৱতীয় তথ্যসমূহ দাঙি ধৰিব লাগে।

আবেনদকাৰীয়ে প্ৰ-পত্ৰখনত তলত দিয়া বিৱৰণীসমূহ শুদ্ধকৈ দিব লাগে—

(ক) হিচাব খোলোতাৰ নাম

(খ) হিচাব খোলোতাৰ জন্ম তাৰিখ

(গ) হিচাব খোলোতাৰ ৰাষ্ট্ৰীয়তা

(ঘ) খুলিব বিচৰা হিচাবৰ প্ৰকাৰ

(ঙ) হিচাব খোলোতাৰ বৃত্তি

(চ) হিচাব খোলোতাৰ সম্পূৰ্ণ ঠিকনা

(ছ) বেংকৰ সকলো নীতি-নিয়মসমূহ নিয়াৰিকৈ পালন কৰাৰ ঘোষণা পত্ৰ।

২) **ফটো** (Photograph) ঃ

আবেদনকাৰীয়ে তেওঁৰ নিজৰ শেহতীয়া পাচপোৰ্ট আকাৰৰ অতি কমেও দুই (২) কপি ফটো প্ৰ-পত্ৰত গাঠি দিব লাগিব।

৩) **চিনাক্তকৰণ আৰু ঠিকনাৰ প্ৰমাণ পত্ৰ** (Identification and Address Proof) ঃ

আবেদনকাৰীয়ে তেওঁৰ বাস কৰা স্থানৰ বৈধ প্ৰমাণপত্ৰ বেংকত দাখিল কৰিব লাগিব। এজন ব্যক্তিয়ে প্ৰমাণপত্ৰ হিচাপে পাচপোৰ্ট, ভোটাৰ পৰিচয় পত্ৰ, পান কাৰ্ড, চৰকাৰী কৰ্মচাৰীৰ পৰিচয় পত্ৰ, গাড়ী চলোৱাৰ অনুজ্ঞাপত্ৰ, বিদ্যুৎ বিল ইত্যাদি বেংকত দাখিল কৰিব পাৰে।

৪) **চিনাক্তকৰণ** (Reference or Introduction) ঃ

হিচাব খুলিবলৈ আবেদন কৰা ব্যক্তিৰ স্বভাৱ চৰিত্ৰ, আৰ্থিক অৱস্থা আদি যাতে আঁসোৱাহযুক্ত নহয়, বেংকে সেই ক্ষেত্ৰত চোকা নজৰ ৰাখে। সেই উদ্দেশ্যে আবেদন প্ৰ-পত্ৰখনত গ্ৰাহকক চিনাক্তকৰণৰ এটি শিতান থাকে। কোনো গণ্য-মান্য ব্যক্তি বেংকৰ গ্ৰাহক, অন্য বেংক বা সেই বেংকৰ কৰ্মচাৰীয়ে এনে চিনাক্তকৰণ কৰিব পাৰে। চিনাক্তকাৰীয়ে আবেদনকাৰীৰ প্ৰ-পত্ৰত নিজৰ নাম, চহী, ঠিকনা, বৃত্তি আৰু বেংকত থকা তেওঁৰ হিচাবৰ নম্বৰ উল্লেখ কৰিব লাগে।

বেংকৰ চিনাক্তকৰণ প্ৰক্ৰিয়াটো যদি মনঃপুত নহয়, তেতিয়াহ'লে বেংকে হিচাব খুলিবলৈ অগ্ৰসৰ নহয়। চিনাক্তকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা অনা-আকাংক্ষিত ব্যক্তি এজনক বেংকৰ গ্ৰাহক হ'ব নিদিয়ে। সেই হেতুকে চিনাক্তকৰণ প্ৰক্ৰিয়াটো বেংকৰ বাবে অতি গুৰুত্বপূৰ্ণ। চিনাক্তকৰণ প্ৰক্ৰিয়া যদিহে ব্যতিক্ৰম হয়, তেতিয়া হিচাব খোলা বেংকটোৰ লগতে সৰ্বসাধাৰণ ৰাইজ বিভিন্ন সমস্যাৰ সন্মুখীন হ'ব পাৰে। ইয়াৰ উপৰি যদি কোনো বেংকে চিনাক্তকৰণ নোহোৱাকৈ হিচাব খোলে, তেতিয়াহ'লে ১৮৮১ চনৰ সম্প্ৰদেয় পত্ৰ আইনৰ ১৩১ নং ধাৰা অনুযায়ী সংগ্ৰহকাৰী বেংকে কোনো বিধিগত ৰক্ষণাবেক্ষণ নাপায়।

৫) **স্থায়ী হিচাব নম্বৰ** (Permanent Account Number) ঃ

আয়কৰ কৰ্তৃপক্ষৰ দ্বাৰা জাৰী বা প্ৰদান কৰা স্থায়ী হিচাবৰ নম্বৰটো আবেদনকাৰীয়ে প্ৰ-পত্ৰখনত সম্পূৰ্ণভাৱে উল্লেখ কৰিব লাগিব। যদি আবেদনকাৰীৰ এই নম্বৰটো নাথাকে, তেতিয়াহ'লে তেওঁ আন এখন নিৰ্দিষ্ট প্ৰ-পত্ৰ পূৰ্ণ কৰিব লাগিব। কাৰণ বেংকে আয়কৰ কৰ্তৃপক্ষক স্থায়ী হিচাবৰ নম্বৰটো জনোৱাটো কৰ্তব্য। চলিত জমা হিচাবৰ ক্ষেত্ৰটো স্থায়ী হিচাবৰ নম্বৰ থকাটো বাধ্যতামূলক।

৬) **স্বাক্ষৰৰ নমুনা** (Specimen Signature) ঃ

আবেদনকাৰীয়ে বেংকত হিচাব খোলাৰ সময়ত তেওঁৰ স্বাক্ষৰৰ নমুনা দিব লাগে। এনে স্বাক্ষৰৰ নমুনা বেংকে ভৱিষ্যতৰ বাবে সযত্নে ৰাখে। আজিকালি বেংকে স্বাক্ষৰৰ নমুনা আৰু ফটো স্কেনৰ সহায়ত কম্পিউটাৰত সংৰক্ষণ কৰি ৰাখে। যেতিয়া গ্ৰাহকে টকা আহৰণৰ বাবে ধনাদেশ এখন বেংকত দাখিল কৰে, তেতিয়া বেংকে তেওঁৰ স্বাক্ষৰৰ নমুনা তুলনা কৰাৰ পিছতহে পৰিশোধৰ ব্যৱস্থা কৰে। এনে কৰিলে বেংকে জালিয়াতিৰ পৰা ৰক্ষা পায়।

৭) **হিচাব কাৰ্য্যকৰী কৰাৰ নিয়ম** (Mode of operation of the Account) ঃ

আবেদনকাৰীয়ে নিজেই হিচাবটো চলাই নিব পাৰে। যৌথ হিচাবৰ ক্ষেত্ৰত কেনেকুৱা ধৰণে কাৰ্য্যকৰী কৰিব তাৰ সবিশেষ নিৰ্দেশ বেংকক দিব লাগে। নিম্নলিখিত যিকোনো প্ৰকাৰে যৌথ হিচাব এটা কাৰ্যকৰী/পৰিচালিত হ'ব পাৰে।

(ক) যিকোনো এজন ব্যক্তি বা জীৱিত প্ৰতিনিধিৰ দ্বাৰা।

(খ) হিচাবৰ পূৰ্বৰ ধাৰক বা জীৱিত প্ৰতিনিধিৰ দ্বাৰা।

(গ) যৌথভাৱে

যদিহে আবেদনকাৰীয়ে তেওঁৰ হিচাবটো তৃতীয় পক্ষ নতুবা কোনোবা প্ৰতিনিধিৰ দ্বাৰা পৰিচালিত কৰিবলৈ ইচ্ছা কৰে, তেতিয়া তেওঁৰ মত প্ৰকাশ কৰি বেংকক নিৰ্দেশ দিব লাগে। তেনেক্ষেত্ৰত বেংকে তৃতীয় পক্ষ বা প্ৰতিনিধিৰ স্বাক্ষৰৰ নমুনা সংগ্ৰহ কৰি হিচাবটো কাৰ্য্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে।

৮) **মনোনীতকৰণ** (Nomination) ঃ

আবেদনকাৰীয়ে মানোনীতকৰণ প্ৰ-পত্ৰ এখন পূৰ্ণ কৰিব লাগে, কাৰণ হিচাবৰ ধাৰকৰ অবাঞ্চিত মৃত্যু হ'লে, সেই হিচাবৰ ধন আদায় কৰাৰ অধিকাৰ লাভ কৰে। আবেদনকাৰীয়ে তাত মনোনীত ব্যক্তিৰ নাম, ঠিকনা, বয়স, জন্মৰ তাৰিখ ইত্যাদি প্ৰকাশ কৰিব লাগে। যদিহে মনোনীত ব্যক্তি গৰাকী নাবালক হয়, তেতিয়াহ'লে নাবালকজনৰ হৈ আইনগতভাৱে কাম কৰিব পৰা যিকোনো ব্যক্তি এজনক নিয়োগ কৰিব পাৰে।

৯) **হিচাব খোলাৰ অনুমতি** (Opening of the Account) ঃ

আবেদনকাৰী এগৰাকীৰ ওপৰত উল্লেখ কৰা তথ্যসমূহৰ ভিত্তিত যদিহে বেংক সন্তুষ্ট হয়, তেতিয়াহ'লে তেওঁৰ নামত হিচাব খুলিবলৈ অনুমতি দিয়ে। আবেদনকাৰীৰ নতুন হিচাব নম্বৰত বেংকে নিৰ্দিষ্ট কৰি দিয়া সৰ্বনিম্ন পৰিমাণৰ নগদ টকা পে-ইন-শ্লিপৰ যোগেদি জমা কৰিব লাগে। প্ৰাথমিক জমা দিবলগীয়া ধনৰ পৰিমাণ বেংক ভেদে বেলেগ বেলেগ হোৱা পৰিলক্ষিত হয়। হিচাবৰ গতিশীলতাৰ বাবে হিচাবৰ ধাৰকক বেংকে এখন পাছ-বুক, এখন ধনাদেশ বহী, এখন পে-ইন-শ্লিপৰ বহীৰ লগতে এখন এ. টি. এম. কাৰ্ডৰ যোগান ধৰে।

**সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাবৰ মাজত পাৰ্থক্য** (Differences between Savings Bank Account and Current Deposit Account) ঃ

সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাবৰ মাজত থকা প্ৰধান পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) **উদ্দেশ্য** (Objective) ঃ

সঞ্চয়ী বেংক হিচাবৰ প্ৰাথমিক উদ্দেশ্য হৈছে জনসাধাৰণৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলা।

আনহাতে, চলিত জমা হিচাবৰ প্ৰাথমিক উদ্দেশ্য হৈছে—

প্ৰয়োজনসাপেক্ষে গ্ৰাহকৰ টকা জমা কৰা আৰু আহৰণ কৰাৰ সুবিধা প্ৰদান কৰা।

২) **প্ৰকৃতি** (Nature) ঃ

সঞ্চয়ী বেংক হিচাব সাধাৰণতে সকলো শ্ৰেণীৰ ব্যক্তিয়ে খোলে। কিন্তু চলিত জমা হিচাব ব্যৱসায়ী, প্ৰতিষ্ঠান, কোম্পানী আদিয়ে খোলে।

৩) **সুত** (Interest) ঃ

সঞ্চয়ী বেংক হিচাবত বেংকে এক নিৰ্দিষ্ট পৰিমাণৰ সুত প্ৰদান কৰে।

আনহাতে, চলিত জমা হিচাবত বেংকে সাধাৰণতে সুত প্ৰদান নকৰে।

৪) **অধিবিকৰ্ষ** (Overdraft) ঃ

সঞ্চয়ী বেংক হিচাবৰ বিপৰীতে কোনো ধৰণৰ ঋণ বা অধিবিকৰ্ষৰ সুবিধা বেংকে প্ৰদান নকৰে। আনহাতে চলিত জমা হিচাবৰ বিপৰীতে বেংকে ঋণ বা অধিবিকৰ্ষৰ সুবিধা প্ৰদান কৰে।

৫) **আহৰণ** (Withdrawal) ঃ

সঞ্চয়ী বেংক হিচাবৰ পৰা টকা আহৰণৰ ক্ষেত্ৰত বেংকৰ কিছু বাধা আৰোপ কৰা আছে। নিৰ্দিষ্ট সময়ৰ ভিতৰত সৰ্বোচ্চ কিমানবাৰ টকা আহৰণ কৰিব পাৰিব, তাক বেংকে নিৰ্ধাৰণ কৰি দিব পাৰে।

আনহাতে চলিত জমা হিচাবৰ ক্ষেত্ৰত আহৰণৰ কোনো সীমাৱদ্ধতা নাথাকে।

৬) **প্ৰাসংগিক ব্যয়**(Incidental Charges) ঃ

সঞ্চয়ী বেংক হিচাবৰ ক্ষেত্ৰত বেংকে কোনো ধৰণৰ প্ৰাসংগিক ব্যয় আৰোপ নকৰে। কিন্তু চলিত জমা হিচাবত প্ৰাসংগিক ব্যয় হিচাপে বেংকক ভৰণি দিব লাগে।

**সঞ্চয়ী বেংক হিচাব আৰু স্থায়ী জমা হিচাবৰ মাজত পাৰ্থক্য** (Differences between Saving Bank Account and Fixed Deposit Account ঃ

সঞ্চয়ী বেংক হিচাব আৰু স্থায়ী জমা হিচাবৰ মাজত থকা প্ৰধান পাৰ্থক্যসমূহ তলত উল্লেখ কৰা হ'ল—

১) **উদ্দেশ্য** (Objective) ঃ

সঞ্চয়ী বেংক হিচাবৰ প্ৰাথমিক উদ্দেশ্য হৈছে জনসাধাৰণৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলা আৰু ভৱিষ্যতৰ বাবে আৰ্থিক সকাহ লাভ কৰা।

আনহাতে স্থায়ী জমা হিচাবৰ উদ্দেশ্য হৈছে দীৰ্ঘ সময়ৰ বাবে ধন বিনিয়োগ কৰি তাৰ ওপৰত উচ্চ হাৰত সুত উপাৰ্জন কৰা।

২) **জমাৰ সময়সীমা** (Period of Deposit) ঃ

সঞ্চয়ী বেংক হিচাবত কোনো নিৰ্দিষ্ট সময়সীমা নাথাকে। কিন্তু স্থায়ী জমা হিচাবৰ ক্ষেত্ৰত জমাকাৰীয়ে এক নিৰ্দিষ্ট সময়ৰ বাবে বিনিয়োগ কৰে।

৩) **জমাৰ প্ৰকৃতি** (Nature of Deposit) ঃ

সঞ্চয়ী বেংক হিচাবত জমাকাৰীয়ে বেংকৰ দৈনিক হোৱা লেনদেনৰ সময়সূচী অনুসৰি টকা জমা দিব পাৰে।

আনহাতে, স্থায়ী জমা হিচাবত জমাকাৰীয়ে এক কিস্তিতে টকা জমা কৰিব লাগে।

৪) **সুতৰ হাৰ** (Rate of Interest) ঃ

সঞ্চয়ী বেংক হিচাবৰ সুতৰ হাৰ স্থায়ী জমা হিচাবৰ তুলনাত কম। স্থায়ী জমা হিচাবত বেংকে উচ্চ হাৰত সুত প্ৰদান কৰে।

৫) **আহৰণ** (Withdrawal) ঃ

সঞ্চয়ী বেংক হিচাবৰ আহৰণৰ ক্ষেত্ৰত বেংকৰ কিছুমান বাধা আৰোপ কৰা আছে। এটা বিত্তীয় বছৰত সৰ্বোচ্চ কিমানবাৰ টকা আহৰণ কৰিব পাৰিব, তাক বেংকে নিৰ্ধাৰণ কৰি দিব পাৰে।

স্থায়ী জমা হিচাবৰ ক্ষেত্ৰত নিৰ্দিষ্ট ম্যাদ উকলি গ'লে বেংকৰ পৰা সুতে-মূলে আহৰণ কৰিব পাৰে।

৬) **পাছ-বুক** (Pass Book) ঃ

সঞ্চয়ী বেংক হিচাবত জমাকাৰীক পাছবুক প্ৰদান কৰে।

আনহাতে স্থায়ী জমা হিচাবত জমাকাৰীক কোনো ধৰণৰ পাছবুক প্ৰদান নকৰে।

৭) **ধনাদেশৰ বহী** (Cheque Book) ঃ

সঞ্চয়ী বেংক হিচাবত ধনাদেশ বহীৰ সুবিধা বেংকে প্ৰদান কৰে। ধনাদেশৰ জৰিয়তে জমাকাৰীয়ে

নিজৰ ব্যৱহাৰৰ বাবে ধন উলিওৱাৰ উপৰিও অন্য লেনদেন নিষ্পত্তি কৰিব পাৰে।

স্থায়ী জমা হিচাবত বেংকে ধনাদেশৰ বহী প্ৰদান নকৰে। অৰ্থাৎ ধনাদেশৰ যোগেদি কোনো ধৰণৰ লেনদেন কৰা নহয়।

৮) **ধনাদেশ সংগ্ৰহ আৰু পৰিশোধ** (Collection of Cheques and Payment) ঃ

সঞ্চয়ী বেংক হিচাবৰ যোগেদি বেংকে হিচাবৰ ধাৰকৰ নামত থকা ধনাদেশ অইন কোনো বেংকৰ পৰা সংগ্ৰহ কৰি পৰিশোধ কৰাৰ ব্যৱস্থা আছে।

স্থায়ী জমা হিচাবৰ ক্ষেত্ৰত এনেকুৱা ধৰণৰ ব্যৱস্থা নাই।

৯) **স্থায়ী জমা ৰছিদ** (Fixed Deposit Receipt) ঃ

সঞ্চয়ী বেংক হিচাবত জমাকাৰীক বেংকে কোনো ধৰণৰ স্থায়ী জমাৰ ৰছিদ প্ৰদান নকৰে। তাৰ পৰিৱৰ্তে লেনদেনসমূহ লিপিবদ্ধ কৰাৰ বাবে এখন পাছবুক প্ৰদান কৰে।

কিন্তু স্থায়ী জমা হিচাবৰ ক্ষেত্ৰত বেংকে স্পষ্টকৈ সকলো তথ্য লিপিৱদ্ধ কৰি এখন স্থায়ী জমা ৰছিদ জমাকাৰীক প্ৰদান কৰে।

## **পে-ইন-শ্লিপ বুক** (Pay-in-slip book) ঃ

হিচাবৰ ধাৰকে নগদ টকা, ধনাদেশ, বিল আৰু ড্ৰাফ্‌ট ইত্যাদি তেওঁৰ হিচাবত জমা কৰিবলৈ বেংকে পে-ইন-শ্লিপৰ যোগান ধৰে। এনেকুৱা বহীত দুটা খণ্ড থাকে। জমাকাৰী বা তেওঁৰ প্ৰতিনিধিয়ে জমাৰ সময়ত দুয়োটা খণ্ড পূৰ্ণ কৰিব লাগে।

বৰ্তমান বেংকে আটাইবোৰ হিচাবৰ বাবে পৃথক পৃথক পে-ইন-শ্লিপৰ ব্যৱহাৰৰ পৰিৱৰ্তে এখন 'পে-ইন-শ্লিপ'ৰ ব্যৱহাৰ কৰা দেখা যায়। তাত মাথোন সকলোবোৰ হিচাব সংক্ষিপ্ত আকাৰত ওপৰৰ অংশত উল্লেখ থাকে। বেংক ভেদে পে-ইন-শ্লিপৰ ধৰণ আৰু আকৃতি বেলেগ বেলেগ হোৱা দেখা যায়। যিয়েই নহওক এই শ্লিপৰ বিষয়বস্তু মূলতঃ একে। এই 'পে-ইন-শ্লিপ'ত গ্ৰাহকে জমাৰ তাৰিখ, হিচাবৰ ধাৰকৰ নাম, হিচাবৰ নম্বৰ, টকাৰ পৰিমাণ (সংখ্যা আৰু আখৰেৰে), নগদ টকাৰ ক্ষেত্ৰত চলিত মুদ্ৰাৰ আখ্যা, জমাকাৰীৰ স্বাক্ষৰ, বিৱৰণ লিখি বেংকত জমা কৰে। 'পে-ইন-শ্লিপ'ত থকা দুয়োটা খণ্ডতে হিচাবৰ ধাৰকে স্পষ্টকৈ লিখি নগদ টকা বা ধনাদেশৰ সৈতে কেচ্ কাউণ্টাৰত জমা দিব লাগে। বেংকে টকা বা ধনাদেশৰ লগত 'পে-ইন-শ্লিপ'ৰ প্ৰধান বা সোঁ-খণ্ডটো ৰাখি গৌণ বা বাওঁখণ্ডটোত তাৰিখ, বেংকৰ ছীল-মোহৰ আৰু স্বাক্ষৰ কৰি গ্ৰাহকক ঘূৰাই দিয়ে।

স্বাক্ষৰিত খণ্ডটোৱে বেংকত যে টকা বা ধনাদেশ জমা দিয়া হ'ল, তাৰ প্ৰমাণ দাঙি ধৰে। ইয়াৰ ওপৰত ভিত্তি কৰি বেংকে গ্ৰাহকৰ হিচাবত জমা বা 'ক্ৰেডিট' কৰে। যদি অন্য কোনো বেংকৰ পৰা সংগ্ৰহ কৰিবলগীয়া ধনাদেশ পায়, তেতিয়াহ'লে সংগ্ৰহ কৰা হোৱাৰ পিছতহে গ্ৰাহকৰ হিচাবত জমা বা ক্ৰেডিট কৰে।

## **পাছ-বুক** (Pass Book) ঃ

বেংকে হিচাব খোলাৰ পিছত বেংকে গ্ৰাহকক এখন গুৰুত্বপূৰ্ণ ক্ষুদ্ৰ বহী প্ৰদান কৰে। ইয়াকে 'পাছবুক' বুলি কোৱা হয়। এই পাছবুকত গ্ৰাহকৰ সম্পূৰ্ণ ঠিকনা আৰু বেংকৰ শাখাৰ ঠিকনা থকাৰ উপৰিও গ্ৰাহকৰ হিচাবৰ নম্বৰ দিয়া থাকে। উক্ত বহীত গ্ৰাহকে বেংকৰ লগত কৰা প্ৰতিটো লেন-দেন লিপিৱদ্ধ কৰা হয়। বেংক আৰু গ্ৰাহকৰ মাজত হোৱা লেন-দেনসমূহৰ ক্ষেত্ৰত যাতে কোনো ধৰণৰ ভুল বুজাবুজি নহয়, তাৰ বাবেহে পাছ-বুকৰ ব্যৱস্থা কৰা হৈছে। লেন-দেন সম্পাদন হোৱাৰ লগে লগে বেংকে গ্ৰাহকজনৰ হিচাবৰ বিপৰীতে খাতিয়ানত প্ৰবিষ্টিসমূহ লিপিৱদ্ধ কৰে। ঠিক একেদৰে গ্ৰাহকৰ পাছ-বুকখনতো লেন-দেনসমূহৰ প্ৰবিষ্টি লিপিৱদ্ধ কৰি গ্ৰাহকলৈ ঘূৰাই দিয়ে। পাছ-বুকৰ জৰিয়তে গ্ৰাহকে নিতৌ কিমান টকা বেংকত জমা থ'লে বা উলিয়ালে তাক জানিব পাৰে। জমা আৰু আহৰণৰ সন্দৰ্ভত সঠিকভাৱে দেখুওৱা হৈছে নে নাই সেইটো জানিব পাৰে। তদুপৰি পাছ-বুকৰ জৰিয়তে এটা নিৰ্দিষ্ট তাৰিখত গ্ৰাহকৰ হিচাবত মুঠ তহবিলৰ পৰিমাণো জানিব পাৰে। সেইহেতুকে, পাছ-বুকটো মাজে সময়ে গ্ৰাহকে বেংকলৈ পঠিয়াব লাগে। তেতিয়া বেংকে শেহতীয়া প্ৰবিষ্টিসমূহ লিপিবদ্ধ কৰি গ্ৰাহকক ওভতাই দিয়ে। গ্ৰাহকে চেকৰ দ্বাৰা লেন-দেন কৰিলে পাছ-বুকত চেকৰ ক্ৰমিক নম্বৰ লিপিৱদ্ধ কৰে।

যদিহে পাছ-বুকত লিপিৱদ্ধ হোৱা প্ৰবিষ্টিসমূহৰ কোনোধৰণৰ খেলিমেলি গ্ৰাহকৰ দৃষ্টি নিক্ষেপ হয়, তেতিয়াহ'লে গ্ৰাহকে সেই বিষয়ে বেংকক তৎকালীনভাৱে জনাব লাগে। আৰু বেংকে এনে ক্ষেত্ৰত যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। সেয়েহে বেংকে পাছ-বুকত গ্ৰাহকৰ হিচাবৰ লেনদেনসমূহ লিপিৱদ্ধ কৰাত যথেষ্ট সততাৰে কৰিব লাগে। কাৰণ পাছ-বুকত ভুল হিচাব লিপিৱদ্ধ কৰা মানেই হ'ল গ্ৰাহকৰ হিচাবত জমা টকা কম বা বেছিকৈ দেখুওৱা।

যদি গ্ৰাহকৰ পাছ-বুকৰ পৃষ্ঠাসমূহ শেষ হয়, নতুবা পাছ-বুকটো হেৰাই যায়, তেতিয়া গ্ৰাহকে বেংকক জনালে, নতুনকৈ পাছ-বুক প্ৰদান কৰে।

**পাছ্‌-বুকৰ গুৰুত্ব** (Importance of Passbook) ঃ

পাছ্‌-বুকৰ গুৰুত্বসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) পাছ্‌-বুকৰ জৰিয়তে গ্ৰাহক আৰু বেংকৰ মাজত হোৱা লেন-দেনৰ সবিশেষ জানিব পাৰি। বেংকত জমা দিয়া ধনৰ পৰিমাণ আৰু আহৰণৰ পৰিমাণৰ লগতে অন্যান্য লেন-দেনৰ বিষয়ে জানিব পাৰি।

(খ) গ্ৰাহকৰ হিচাবত বৰ্তমানত মুঠ জমাৰ পৰিমাণো পাছ্‌-বুকৰ যোগেদি জানিব পাৰি।

(গ) ধন পৰিশোধৰ বাবে ধনাদেশ জাৰি কৰাৰ সময়তো পাছ্‌-বুকৰ মুঠ জমাই সহায় কৰে।

(ঘ) আহৰণ প্ৰ-পত্ৰৰ জৰিয়তে টকা উলিয়াবৰ সময়ত বেংকত পাছ্‌-বুক জমা দিব লাগে। অন্যথা বেংকে টকা উলিয়াই দিবলৈ মান্তি নহয়।

**চেক বহী বা ধনাদেশৰ বহী** (Cheque Book) ঃ

চেক বহী বা ধনাদেশৰ বহীত চেকৰ নিৰ্দিষ্ট সংখ্যক ছপাকৰা খালী পাত বা পত্ৰ থাকে আৰু এই খালী পত্ৰৰ প্ৰতিটো খিলাত ক্ৰমিক নম্বৰ দিয়া থাকে। বেংকত হিচাব খোলাৰ পিছত বেংকে গ্ৰাহকৰ চাহিদা অনুযায়ী চেক বহীৰ যোগান ধৰে। এই চেক বহীত সাধাৰণতে ১০ ৰ পৰা ৫০ খন পৰ্যন্ত পাত থকা দেখা যায়। সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাবৰ ক্ষেত্ৰতহে বেংকে চেক বহী প্ৰদান কৰে। চেকৰ সুবিধা গ্ৰহণ কৰা গ্ৰাহকে উক্ত হিচাবত বেংকে নিৰ্ধাৰণ কৰি দিয়া নিম্নতম তহবিল জমা ৰাখিব লাগে। গ্ৰাহকে টকা আহৰণ কৰিবলৈ বিচাৰিলে এই চেক পূৰ্ণ কৰি বেংকত দাখিল কৰে। সঞ্চয়ীবেংক হিচাবৰ ধাৰকে চেকৰ সুবিধা গ্ৰহণ নকৰিলে, তেওঁলোকে বেংকত থকা আহৰণ প্ৰ-পত্ৰৰ (withdrawal form) জৰিয়তে জমা ধন উলিয়াব পাৰে।

**এ. টি. এম কাৰ্ড** (ATM Card)ঃ

ইংৰাজী শব্দ এ. টি. এম (ATM)ৰ সম্পূৰ্ণ ৰূপটো হ'ল 'অটোমেটেড টেলাৰ মেচিন' (Automated Teller Machine)। ১৯৩০ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউৰ্কত চিটি বেংকে এ. টি. এম কাৰ্ড পোন প্ৰথম আৰম্ভ কৰে। পশ্চিমীয়া দেশসমূহত ইয়াৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে বৃদ্ধি পায়। ভাৰতবৰ্ষতো ১৯৮৭ চনত হংকং বেংকে এ. টি. এম প্ৰদানৰ ব্যৱস্থা কৰে।

বৰ্তমান সময়ত বেংকত সঞ্চয়ী বেংক হিচাব আৰু চলিত জমা হিচাব খোলাৰ পিছত গ্ৰাহকৰ চাহিদা অনুযায়ী বেংকে এ. টি. এম কাৰ্ডৰ যোগান ধৰে। এই সুবিধা বেংকে গ্ৰাহকলৈ আগবঢ়োৱা আধুনিক সেৱা। এই কাৰ্ডৰ জৰিয়তে ২৪ ঘণ্টাৰ যিকোনো সময়ত টকা উলিওৱাৰ উপৰিও হিচাবৰ বিষয়ে অগ্ৰগতি জানিব পাৰে।

এ. টি. এম কাৰ্ডক আকৌ Any Time Money বুলিও জনা যায়। এই কাৰ্ডখন গ্ৰহণ কৰিবলৈ হ'লে বেংকে নিৰ্দিষ্ট কৰি দিয়া নীতি-নিয়ম মানি চলিব লাগিব। এই কাৰ্ডৰ ধাৰকক বেংকে চাৰিটা সংখ্যাৰ গোপন নম্বৰ দিয়ে। যাক ব্যক্তিগত চিনাক্তকৰণ নম্বৰ (PIN) Personal Identification Number) হিচাপে জনা যায়। এই নম্বৰটো অত্যন্ত গোপনীয়। কাৰণ অইন কোনো ব্যক্তিয়ে এই নম্বৰটো জানিলে, তেতিয়া হিচাবৰ টকা হৰলুকি হ'ব পাৰে। গতিকে এ. টি. এম কাৰ্ডৰ ধাৰকে এই ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিব লাগে। যদি কিবা কাৰণত এ. টি. এম কাৰ্ডখন হেৰায় তৎকালীনভাৱে বেংকক জনাব লাগে।

এই কাৰ্ডৰ জৰিয়তে গ্ৰাহকে ২৪ ঘণ্টাত বেংকে নিৰ্দিষ্ট কৰি দিয়া পৰিমাণৰ ধনহে উলিয়াব পাৰে। তদুপৰি এই কাৰ্ডৰ যোগেদি গ্ৰাহকে তেওঁৰ হিচাবত ধন জমা কৰাৰ উপৰিও স্থানান্তৰ কৰিব পাৰে। এই এ. টি. এম কাৰ্ডখন হস্তান্তৰযোগ্য নহয় আৰু বেংকে প্ৰয়োজন সাপেক্ষে বাতিল কৰিব পাৰে।

——

## সাৰাংশ

- বেংকৰ জমা হিচাব দুটা ভাগত বিভক্ত কৰিব পাৰি।
  (ক) আদেশী জমা হিচাব।
  (খ) ম্যাদী জমা হিচাব।
- আদেশী জমা হিচাবত অন্তৰ্ভুক্ত হৈছে—
  (ক) সঞ্চয়ী বেংক হিচাব আৰু
  (খ) চলিত জমা হিচাব।
- ম্যাদী জমা হিচাবত অন্তৰ্ভুক্ত হৈছে—
  (ক) স্থায়ী জমা হিচাব আৰু
  (খ) আৱৰ্ত্ত বা পৌনঃপুনিক জমা হিচাব।
- বেংকে ঋণ আৰু অগ্ৰিম চলিত জমা হিচাবৰ যোগেদিহে প্ৰদান কৰে।
- এজন নাবালকে চলিত জমা হিচাবৰ বাহিৰে অইন সকলো প্ৰকাৰৰ জমা হিচাব খুলিব পাৰে।
- স্থায়ী জমা হিচাবৰ ধাৰককহে স্থায়ী জমা ৰছিদ জাৰি কৰা হয়। এইখন হস্তান্তৰযোগ্য পত্ৰ নহয়, এইখনক কাৰ্য্যভাৰৰ দ্বাৰা স্থানান্তৰ কৰিব পৰা যায়।
- এজন জমাকাৰীয়ে তেওঁৰ হিচাব বিভিন্ন সঁজুলি ব্যৱহাৰ কৰি পৰিচালনা কৰিব পাৰে—
  (ক) পে-ইন-শ্লিপ বুক।
  (খ) চেকবুক বা ধনাদেশ বহী।
  (গ) পাছবুক।
  (ঘ) এ. টি. এম. কাৰ্ড।
- 'এ. টি. এম' কাৰ্ড হ'ল বৈদ্যুতিন বেংকিং মাধ্যম, য'ত বেংকৰ গ্ৰাহকে শাখা প্ৰতিনিধি বা কৰ্মচাৰী অবিহনে মূলতঃ লেনদেনসমূহ কৰিব পাৰে। ইয়াত নগদ ধন আহৰণ আৰু জমাৰ সুবিধা আছে।